For translation of this speech, visit:-
http://www.atributetosankaradeva.org/eka_sarana_sarva_dharma_tyag_trans.pdf

# একশৰণত সৰ্ব্ব ধৰ্ম্ম ত্যাগ

একশৰণ গীতাৰ মূল বস্তু। এক শৰণৰ মূল শ্লোক—

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।। —গীতা ১৮/৬৬

ইয়াৰ অনুবাদ—

সৰ্ব্বধৰ্ম্ম এৰি একশৰণ সাক্ষাত। সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ। সমস্ত পাপতে মই কৰিবো নিস্তাৰ।। —শ্ৰীশঙ্কৰদেৱ

পুনৰ—

গীতাত মাধৱে কহিলন্ত অৰ্জ্জুনত। তেজিয়োক সখি ধৰ্ম্ম কৰ্ম তীৰ্থব্ৰত।।
কেৱলে শৰণ মোত লৈয়ো ধনঞ্জয়। ৰাখিবো সৱাতে মই নকৰিবা ভয়।। —শ্ৰীমাধৱদেৱ

এই মহান শ্লোকৰ ব্যাখ্যা প্ৰসঙ্গত শ্ৰীশঙ্কৰদেৱে লিখিছে—

মদ্ভক্তৈৱ সৰ্ব্বং ভৱিষ্যতীতি দৃঢ়বিশ্বাসেন বিধিকৈঙ্কৰ্য্যং ত্যক্ত্বা মদেকশৰণো ভৱ। এবং প্ৰৱৰ্ত্তমানঃ কৰ্ম্মত্যাগ নিমিত্তং পাপং স্যাদিতি মা শুচঃ শোকং মা কাৰ্ষীঃ অতঃ ত্বং মাং শৰণং ব্ৰজ যাহি। মামেৱ শৰণং কুৰু। ত্বামহং সৰ্ব্ব পাপেভ্যো মোক্ষয়িষ্যামি। —ইত্যাদি ভগৱদ্‌ৱচনানুসাৰেণ তদেকশৰণতয়া নিৰ্গুণ ভক্ত্যৈৱ ভগৱৎ প্ৰাপ্তিৰ্নান্য থেতি নিৰ্ণীতম্।

এই ব্যাখ্যাৰ অনুবাদ—

সমস্ত গীতাৰ মৰ্ম্ম উদ্ধাৰিয়া আনি। অৰ্জ্জুনক কৃপায়ে কহন্ত চক্ৰপাণি।।
শুনিয়ো অৰ্জ্জুন শুনা বান্ধৱ পৰম। কহোঁ গুহ্যতমতো পৰ গুহ্যতম।।
সিজয় সমস্ত ধৰ্ম্ম মোৰ ভকতিত। সুদৃঢ় বিশ্বাস হেন কৰিয়া বুদ্ধিত।।
তেজি বিধি কিঙ্কৰ যতেক ধৰ্ম্মগণ। কেৱল মোতেসে এক হুয়োক শৰণ।।
কৰ্ম্মত্যাগ নিমিত্ত সিজয় পাপচয়। ইটো শোক নকৰিবা তুমি ধনঞ্জয়।।
যিহেতু আমাত তুমি লৈলাহা শৰণ। সৰ্ব্বপাপহন্তে মই কৰিবো ৰক্ষণ।।

—ৰামচৰণ ঠাকুৰ।

গীতাশাস্ত্ৰ পৃথিৱীৰ সকলো ধৰ্ম্মৰ সকলো দেশৰ চিন্তাশীল লোসকলে অধ্যয়ন কৰি তৃপ্তি লাভ কৰিছে। আচৰিত কথা যে হিন্দু ধৰ্ম্ম তথা সনাতন ধৰ্ম্মৰ—মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ-মাধৱদেৱৰ বাহিৰে কোনো মহাপুৰুষে গীতাৰ এই একশৰণীয়া শ্লোকটোত গুৰুত্ব আৰোপ কৰা নাই। এই মহান তত্ত্ব— একশৰণ তত্ত্বৰ সম্পৰ্কে বৈষ্ণৱ শাস্ত্ৰসমূহে কি সিদ্ধান্ত দিছে চোৱা যাওক।

For translation of this speech, visit:-
http://www.atributetosankaradeva.org/eka_sarana_sarva_dharma_tyag_trans.pdf

মূল ভাগৱতৰ দ্বিতীয় শ্লোকত ব্যাসদেৱে ঘোষণা দিছে—

ধৰ্ম্মঃ প্ৰোজ্‌ঝিত কৈতৱো'ত্ৰ পৰমো নিৰ্ম্মৎসৰাণাং সতাং
ৱেদ্যং ৱাস্তৱমত্ৰ ৱস্তু শিৱদং তাপত্ৰয়োন্মূলনম্।
শ্ৰীমদ্ভগৱতে মহামুনিকৃতে কিংৱা পৰৈৰীশ্বৰঃ
সদ্যো হৃদ্যৱৰুধ্যতেঽত্ৰ কৃতিভিঃ শুশ্ৰূসুভিস্তৎক্ষণাৎ।। — ১/১/২

এই ভাগৱত শাস্ত্ৰত, মৎসৰহীন সৎ পুৰুষৰ নিষ্কপট অৰ্থাৎ ফলাভিসন্ধি ৰহিত কেৱল ঈশ্বৰ আৰাধনাৰূপ পৰম ধৰ্ম্মৰ তথা মায়াৰ পৰা উৎপন্ন তাপত্ৰয়—(১) সনাতন ধৰ্ম্মৰ অজ্ঞতা, (২) ভগৱদ বিমুখতা আৰু (৩) শৰীৰ আৰু মনৰ প্ৰতি অহংভাৱৰ নিবৃত্তকাৰক, কল্যাণকাৰী আৰু জানিবলগীয়া বাস্তৱিক বস্তু পৰব্ৰহ্ম পৰমাত্মা শ্ৰীকৃষ্ণৰ নিৰূপণ কৰা হৈছে। এই সম্পৰ্কে শ্ৰৱণ কৰিবলৈ যি ইচ্ছা কৰে সেই ভগৱান পুৰুষৰ হৃদয়ত স্বয়ং ভগৱান স্থিতি হৈ তৎক্ষণাৎ আৱদ্ধ হয়।

ভক্তিৰ সহিত নৈষ্কৰ্ম নিৰূপণ কৰা, জ্ঞান-বৈৰাগ্য প্ৰতিষ্ঠাপক ভাগৱত শাস্ত্ৰ প্ৰকাশ কৰাৰ কাৰণে ভগৱন্তক নমস্কাৰ কৰা হৈছে।

নমস্তস্মৈ ভগৱতে ৱাসুদেৱায় সাক্ষিণে। য ইদং কৃপয়া কস্মৈ ব্যাচচক্ষেমুমুক্ষৱে।।
— ১২/১৩/২০

অৰ্থাৎ, মোক্ষাভিলাষী ব্ৰহ্মাৰ আগত মহাভাগৱতৰ উপদেশ প্ৰথমে যি ব্যক্ত কৰিছিল সেই সৰ্ব্বসাক্ষী ভগৱান বাসুদেৱক নমস্কাৰ জনাইছে।

সাংসাৰিক ক্ষেত্ৰত পিতৃ ভক্তি, মাতৃ ভক্তি আদি সামাজিক গুণ, শৰীৰ আৰু মনৰ উপকাৰী, কিন্তু ভগৱদ্‌ভক্তি অতুলনীয়। হৰিসেৱা পৰাঙ্মুখস্বৰূপ মৃত্যুৰ পৰা উদ্ধাৰ হোৱা পন্থ দেখাওঁতা মহৎলোক সকলৰ সৰ্ব্বাধিক কৃতজ্ঞ হোৱা উচিত। সেইকাৰণে ভগৱন্তৰ অৱতাৰ ঋষভদেৱে পুত্ৰসকলক উপদেশ দিছে—

গুৰুৰ্ন স স্যাৎস্বজনো ন স স্যাৎ পিতা ন স স্যাজ্জননী ন সা স্যাৎ।
দৈৱং ন তৎস্যান্ন পতিশ্চ স স্যান্ন মোচয়েদ্ যঃ সমুপেতমৃত্যুম্।। — ভাগঃ৫।৫।১৮

অৰ্থাৎ, যাৰ সহায়ত মনুষ্যৰ শিৰত নাচি থকা মৃত্যু অৰ্থাৎ জন্ম মৃত্যু চক্ৰৰ পৰা নিজক ৰক্ষা কৰিব নোৱাৰি, সেই গুৰু গুৰু নহয়, স্বজন স্বজন নহয়, পিতা পিতা নহয়, মাতা মাতা নহয়, ইষ্টদেৱ ইষ্টদেৱ নহয়, পতিও পতি নহয়। সেইকাৰণে, শুক্ৰ গুৰুৱে যেতিয়া ''সৰ্ব্বস্তস্বং ৱিষ্ণৱেদত্ত্বা মূঢ় ৱৰ্ত্তিষ্যসে কথম্''- অৰ্থাৎ, 'বিষ্ণুক সৰ্ব্বস্ব দান দি, হে মূৰ্খ, তই কেনেকৈ জীৱন যাপন কৰিবি' বুলি বলিক দান দিয়াৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰিছিল, বলিয়ে শুক্ৰ গুৰুক অমান্য কৰিছিল। ভক্ত বিভীষণে অগ্ৰজ ৰাৱণক, ভক্তশ্ৰেষ্ঠ প্ৰহ্লাদে পিতৃ গুৰুক, ভৰতে মাতৃ কৈকেয়ীক উপেক্ষা কৰিছিল। গোপৰাজ নন্দ তথা অন্য গোপসকলে শ্ৰীকৃষ্ণৰ সন্তুষ্টি সাধনৰ কাৰণে ইন্দ্ৰপূজা বৰ্জ্জন কৰিছিল আৰু বিপ্ৰপত্নীসকলে কৰ্ম্মগৰ্ব্বী বিপ্ৰ-স্বামীসকলৰ হাক-বচন নামানিছিল। বৃহন্নাৰদীয় পুৰাণত কোৱা হৈছে—

হৰিভক্তি পৰাণাং হি সঙ্গিনাং সঙ্গমাশ্ৰিতঃ। মুচ্যতে সৰ্ব্বপাপেভ্যো মহাপাতকৱানপি।।

অৰ্থাৎ, হৰিভক্তিপৰায়ণ পুৰুষৰ সঙ্গত মহাপাতকীৱো সমস্ত পাপ নাশ হয়।

হৰিভক্তিসুধোদয়ত পোৱা যায়—

অৰ্চয়িত্বা তু গোৱিন্দং তদীয়ান্নাৰ্চয়ন্তিযে। ন তে ৱিষ্ণু প্ৰসাদস্য ভাজনং দাম্ভিকোজনাঃ।।

For translation of this speech, visit:-
http://www.atributetosankaradeya.org/eka_sarana_sarva_dharma_tyag_trans.pdf


অৰ্থাৎ, ভগৱানক যি পূজা কৰে, কিন্তু ভক্তক পূজা নকৰে সেই দাম্ভিক পুৰুষ ভগৱানৰ কৃপাপাত্ৰ হ'ব নোৱাৰে।

পৰম বৈষ্ণৱ শিৱই পাৰ্ব্বতীক কৈছে—

আৰাধনানাং সৰ্ব্বেষাং ৱিষ্ণোৰাৰাধনং পৰম্। তস্মাৎ পৰতৰং দেৱী তদীয়ানাং সমৰ্চনম্।।

—পদ্মপুৰাণ

অৰ্থাৎ, সকলো পূজাৰ ভিতৰত শ্ৰেষ্ঠ বিষ্ণু পূজা। কিন্তু বিষ্ণু পূজাতকৈয়ো শ্ৰেষ্ঠ ভক্তৰ পূজা।

আদিত্য পুৰাণত—

যে মে ভক্তজনাঃ পাৰ্থ ন মে ভক্তাস্তু তে জনাঃ। মদ্ভক্তানাং চ যে ভক্তা মম ভক্তাস্তু তে নৰাঃ।।

অৰ্থাৎ, মোৰ ভক্তৰ প্ৰতি ভক্তি নকৰাকৈ কোনেও মোৰ ভক্ত হ'ব নোৱাৰে। সেইকাৰণে ভক্ত হ'বৰ কাৰণে ভক্তিৰ বাহিৰে আন কোনো সাধনৰ প্ৰয়োজন নাই। ভক্তিয়েই ভক্তৰ কাৰণে দৃঢ়তম বান্ধ।

স্কন্দ পুৰাণত উক্তি পোৱা যায়—

স কৰ্ত্তা সৰ্ব্বধৰ্ম্মানাং ভক্তো যস্তৱ কেশৱ।

'হে হৰি, তোমাৰ যি ভক্ত তেওঁৰ সকলো ধৰ্ম্মৰ আচৰণ হৈছে। বৃত্ৰাসুৰৰ লগত যুদ্ধ কৰি দেৱতাসকলে পৰাজিত হৈ ভগৱন্তৰ চৰণত শৰণ লৈ কৈছিল—

অৱিস্মিতং তং পৰিপূৰ্ণ কামং- স্বেনৈৱ লাভেন সমং প্ৰশান্তম্।

ৱিনোপসৰ্পত্যপৰং হি ৱালিশঃ শ্বলাঙ্গুলেনাতিতিত্ৰিতৰ্ত্তি সিন্ধুম।। — ৬/৯/২২

অৰ্থাৎ, আপোনাক বাদ দি অন্যৰ সহায়ৰ ওপৰত ভাৰসা কেৱল মূৰ্খবোৰেহে কৰে। কুকুৰৰ নেগুৰত ধৰি সাগৰ পাৰ হ'বলৈ ইচ্ছা কৰোতাসকলৰ লগতহে সিহঁতৰ তুলনা হয়। ইয়াৰ প্ৰতিধ্বনি পদ্মপুৰাণতো শুনা যায়—

যথাধৃত্বাশুনঃ পুচ্ছং তৰ্ত্তুমিচ্ছেৎসৰিৎপতিম্। তথা ত্যক্ত্বা হৰিং সেৱ্যমন্যোপাসনয়া ভৱম্।।

অৰ্থাৎ, কুকুৰৰ নেগুৰ খামুচি সাগৰ পাৰ হ'বলৈ কৰা যত্ন আৰু সেৱাৰ পাত্ৰ শ্ৰীহৰিক বৰ্জ্জন কৰি অন্য দেৱতাৰ উপাসনা কৰি সংসাৰ সাগৰ পাৰ হ'বলৈ কৰা যত্ন একে পৰ্যায়ৰ।

বিষ্ণু ভক্তিয়ে জাতিগত, বৰ্ণগত দোষৰ পৰা ভক্তক কেনেকৈ উদ্ধাৰ কৰে সিয়ো মন কৰিবলগীয়া। ভগৱান শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে—

ভক্তিঃ পুনাতিমন্নিষ্ঠা স্বপাকানপি সম্ভৱাৎ।। ধৰ্ম্মঃ সত্যময়োপেতো ৱিদ্যা বা তপসান্বিতা।

মদ্ভক্ত্যাপেতমাত্মানং ন সম্যক্ প্ৰপুনাতি হি।।

— ভাগ. ১১/১৪/২১-২২

অৰ্থাৎ, মোৰ অনন্য ভক্তিয়ে চণ্ডাল আদিকো জাতি দোষৰ পৰা মুক্ত কৰি পৱিত্ৰ কৰে। সত্য দয়াৰে যুক্ত হ'লেও, তপযুক্ত বিদ্যায়ো মোৰ ভক্তিহীন পুৰুষক পূৰ্ণভাৱে পৱিত্ৰ কৰিব নোৱাৰে।

সেই কাৰণে জীৱৰ কল্যাণ সাধনৰ বাবে একমাত্ৰ আৱশ্যক বিষ্ণুৱৰ প্ৰতি ভক্তি, আন কোনো ধৰ্ম্ম নহয়।

স্মৰ্ত্তৱ্যঃ সততং ৱিষ্ণুৰ্বিস্মৰ্ত্তৱ্যো ন জাতুচিৎ। সৰ্ব্বেৱিধিনিষেধাঃ স্যুৰেতয়োৰেৱ কিঙ্কৰাঃ।।

(ধৰ্ম্মক্ষেত্ৰত) কৰিবলগীয়া একমাত্ৰ কৰ্ত্তব্য বিষ্ণুৱৰ নিৰন্তৰ স্মৰণ, কৰিব নলগা কাম বিষ্ণুৱৰ বিস্মৰণ। বাকী সমস্ত বিধি নিষেধ এই দুইৰ কিঙ্কৰ মাত্ৰ।

For translation of this speech, visit:-
http://www.atributetosankaradeva.org/eka_sarana_sarva_dharma_tyag_trans.pdf

শ্ৰীমন্ত শঙ্কৰদেৱেও কৈছে ঃ

সমস্ত লোকৰ ধৰ্ম্মক এৰি। বিষ্ণুৰ নামক সততে ৰড়ি।।
সিজনে যি গতি লভিবে সুখে। সমস্ত ধাৰ্ম্মিকে নপাইবে দুঃখে।।
জানিয়া হৰিক সততে স্মৰ। ক্ষণেকো নপাসৰিবাহা নৰ।।
যত মহাপুণ্য মহা পাতেক। ই দুইৰো কিঙ্কৰ জানা প্ৰত্যেক।।

— পাষণ্ড মৰ্দ্দন

লোকাচাৰ বা লৌকিক ব্যৱহাৰ আৰু বেদাচাৰ বা বেদৰ কৰ্ম্মমাৰ্গ— এই দুইৰ পৰা মুক্ত অলপ ধতুৰা সকল হ'ব নোৱাৰে বা হওঁ বুলিও মুক্ত হ'ব নোৱাৰে। লৌকিক আৰু বৈদিক কৰ্ম্ম পথৰ পৰা মুক্ত হ'বৰ কাৰণে ভগৱন্তে কৃপা কৰিব লাগিব। প্ৰাচীন বৰ্হি ৰজাক উপদেশ দিওঁতে শ্ৰীনাৰদদেৱে কৈছে—

যদাযমনুগৃহ্নাতি ভগৱানাত্মভাৱিতঃ।
স জহাতি মতিং লোকে ৱেদেচ পৰিনিষ্ঠিতাম্।।

— ভাগঃ ৪/২৯/৪৬

অৰ্থাৎ, হৃদয়ত বাৰে বাৰে চিন্তা কৰি থাকোতে যি সময়ত যি জীৱৰ ওপৰত ভগৱন্তই কৃপা কৰে সেই সময়ত সেই জীৱই লৌকিক ব্যৱহাৰ আৰু বৈদিক কৰ্ম্মমাৰ্গৰ বদ্ধমূল আস্থাৰ পৰা মুক্ত হয়। ভক্তি-ৰত্নাৱলীত ইয়াৰ ভাঙনি আছে—

প্ৰাচীন বৰ্হিৰ আগে কৈলা নিষ্ঠ কৰি। যাক যি কালত অনুগ্ৰহ কৰ হৰি।।
তবে সিটো লৌকিক বৈদিক কৰ্ম্ম পথে। পৰম নৈষ্ঠিক মতি তেজিব সততে।।

— ২৫৬নং পদ

আচৰিত কথা; এতিয়ালৈকে প্ৰকাশ পোৱা বিভিন্নজনৰ সম্পাদনাত প্ৰকাশিত ভক্তি-ৰত্নাৱলী গ্ৰন্থবিলাকত 'নৈষ্ঠিক'ৰ ঠাইত নাস্তিক প্ৰয়োগ ভাৱাৰ্থটোকে সম্পূৰ্ণ ওলোটাই পেলোৱা হ'ল। ই হয় দুৰভিসন্ধিযুক্ত শঠতা নতু অজ্ঞতা।

শ্ৰীমদ্ভাগৱতত আৰু পোৱা যায়—

(ভগৱন্তৰ উক্তি)

আজ্ঞায়ৈৱং গুণান্ দোষাণ্ ময়াদিষ্টানপি স্বকান্।
ধৰ্ম্মান্ সন্ত্যজ্য যঃ সৰ্ব্বাণ্ মাং ভজেত স সত্তমঃ।। — ভাগঃ ১১/১১/৩২

অৰ্থাৎ, বেদত মোৰ উপদেশ বৰ্ণাশ্ৰমাদি ধৰ্ম্ম পালনত গুণ আৰু ত্যাগত দোষ বুলি জানিও মোৰ নিমিত্তে বেদবাণী উপেক্ষা কৰি যি মোক ভজে, তেওঁ সাধু সকলৰ ভিতৰত শ্ৰেষ্ঠ। গীতাৰ একশৰণৰ (প্ৰথমতে উদ্ধৃতি দিয়া) শ্লোকৰ লগত এই শ্লোক তুলনা কৰি চাবলৈ অনুৰোধ জনোৱা হ'ল। ভাগৱন্তৰ মুখৰ বাণী বুলি শ্ৰীশঙ্কৰদেৱেও ঘোষণা দিছে—

তোমৰাসৱে মোৰ অৰ্থে আতি। এৰিলা বেদধৰ্ম্ম যত জ্ঞাতি।।
বাঢ়োক তোমাৰ প্ৰেম ভকতি। ভৈলো অন্তৰ্দ্ধান এহি যুগুতি।। —ৰাসক্ৰীড়া

কৰ্ম্মকাণ্ড ত্যাগী, বেদধৰ্ম্ম ত্যাগী ভক্ত সকলক ভগৱানৰ ইমান আশ্বাসন বাণী, অভয় বাণী, আশীৰ্ব্বাদ বাণী থকা সত্ত্বেও কৰ্ম্ম-ধৰ্ম্ম ত্যাগ কৰিবলৈ ইমান সঙ্কোচ কিয়? ভগৱন্তৰ বাণী বুলি গীতা ভাগৱতে যি ঘোষণা দিছে

সেই গীতা ভাগৱতৰ প্ৰতি আস্থাহীনতা নহয়নে?

ভগৱন্তৰ ভক্তিপন্থত যিসকলে মূৰ সুমুৱাইছে সেইসকলৰ যদি ইচ্ছা আন্তৰিক হয়, তেতিয়া আন প্ৰকাৰ ধৰ্ম্ম অৱশ্যে বৰ্জ্জনীয় নতু ভক্তিমাৰ্গত আন ধৰ্ম্মই বাধা জন্মাব।

ভক্তিমাৰ্গ গ্ৰহণ কৰি স্বধৰ্ম্ম ত্যাগ কৰি যদি ভ্ৰষ্ট হয়, অপূৰ্ণ হৈ মৃত্যু ঘটে তথাপি সেইলোকৰ অকল্যাণ নহয়। নাৰদদেৱে ব্যাসদেৱক কৈছে—

ত্যক্তা স্বধৰ্ম্মং চৰণাম্বুজং হৰেৰ্ভজন্নপক্বো'থ পতেত্ততো যদি।
যত্ৰ ক্ক ৱাভদ্ৰমভূদমুষ্য কিং কো ৱাৰ্থ
আপো'ভজতাং স্ব ধৰ্ম্মতঃ।। — ভাগ ১/৫/১৭

সকলোৱে বুজিব পৰাকৈ ভাঙনি কৃপালু গুৰুজনাই দিছে—

স্ব ধৰ্ম্মক তেজি ভজে কৃষ্ণক সম্প্ৰতি। তাত প্ৰেমপূৰ্ণ যেৱে নভৈল ভকতি।।
ভৈল ভ্ৰষ্ট যদিবা অল্পতে গৈল প্ৰাণ। জানা নাহি তথাপি তাহাৰ অকল্যাণ।।

পুনৰ এক প্ৰশ্ন উঠিব পাৰে, প্ৰত্যেক বৰ্ণনাশ্ৰমীৰ ছয় ঋণ জন্মগত দায়িত্ব—

দেৱতাপিতৃবন্ধুনামৃষিভূতনৃণাং তথা। ঋণী স্যাত্তদধীনশ্চ ৱৰ্ণাদি জন্ম মাত্ৰতঃ।।
— ৱিষ্ণু সংহিতা

এই ঋণসমূহ হ'ল দেৱঋণ, পিতৃঋণ, সুহৃদ ঋণ, ঋষিঋণ, ভূতঋণ আৰু নৰঋণ (নৰঋণ আৰু সুহৃদ বা বন্ধুঋণ এক বুলিও ধৰা হয়।) এই ঋণ সমূহৰ পৰা মুক্ত হোৱাৰ বিধান গৰুড় পুৰাণত দিছে—

অধ্যাপনং ব্ৰহ্মযজ্ঞঃ পিতৃযজ্ঞস্তু তৰ্পণম্।
হোমো দৈৱো ৱলিৰ্ভৌতো নৃযজ্ঞো'তিথি পূজনম্।।

কিন্তু ভক্তসকল এই ঋণৰ পৰাও সম্পূৰ্ণ মুক্ত বুলি কৰভাজন সিদ্ধই নিমি নৃপতিৰ আগত কৈছে—

দেৱৰ্ষি ভূতাপ্তনৃণাং পিতৃণাং ন কিঙ্কৰো নায়মৃণী চ ৰাজন্।
সৰ্ব্বাত্মনা যঃ শৰণং শৰণ্যং গতো মুকুন্দং পৰিহৃত্যকৰ্ত্তম্।। - ভাগঃ ১১/৫/৪১

মহাপুৰুষ মাধৱদেৱৰ ভাঙনিয়ে দুয়োটা শ্লোকৰ অৰ্থ পৰিষ্কাৰ কৰিছে—

পিতৃ ভূতপতি দেৱঋষি সুহৃদৰ। উপজিলে আসম্বাৰ ঋণী হোৱে নৰ।।
হোমে দেৱঋণ সুজে তৰ্পণে ঋষিৰ। বলিদানে ভূতশ্ৰাদ্ধ আদিয়ে পিতৃৰ।।
সমভাৱে সুহৃদ সৱৰ সুজে ঋণ। এহিমতে ঋণী সদা ভকতি বিহীন।।
এতেকেসে তাসম্বাৰ কিঙ্কৰ অধীন। তাৰ অৰ্থে পঞ্চ যজ্ঞ কৰে প্ৰতিদিন।।
নকৰিলে পৰকালে আছে মহাভয়। দুখ ভুঞ্জি হীন জাতি হৈবাক লাগয়।।
কায় বাক্য মন কৰি নিশ্চয় যিজন। মুকুন্দৰ চৰণত পশিল শৰণ।।
তাৰ ঋণ সুজাসৰে গৈল সমস্তৰে। নকৰিয়ো ঋণী আৰ নুহি সিটো নৰে। — ৰত্নাৱলী

বশিষ্ঠ সংহিতাত পৰিষ্কাৰকৈ বৈষ্ণৱৰ আচৰণ সম্পৰ্কে ঘোষণা দিছে—

নিত্যং নৈমিত্তিকং কাম্যং দানং সঙ্কল্পমেৱচ। দৈৱং কৰ্ম্ম তথা পৈত্ৰং ন কুৰ্য্যাদ্ ৱৈষ্ণৱো গৃহী।।

অৰ্থাৎ, বৈষ্ণৱ গৃহস্থৰ কাৰণে নিত্য নৈমিত্তিক সকামকৰ্ম্ম, দেৱ পূজা, পিতৃ তৰ্পণ, দান, সঙ্কল্প আদি কৰাৰ কোনো আৱশ্যকতা নাই।

For translation of this speech, visit:-
http://www.atributetosankaradeva.org/eka_sarana_sarva_dharma_tyag_trans.pdf

স্কন্দ পুৰাণৰ নির্দেশ—

অর্চিতে দেৱ দেৱেশে অব্জশঙ্খগদাধৰে। অর্চিতাঃ পিতৰো দেৱা যতঃ সৰ্ব্বময়ো হৰিঃ।।

শঙ্খ-চক্র-গদা-পদ্মধাৰী ভগৱান বিষ্ণুক পূজা কৰিলে পিতৃগণ, দেৱতাগণৰ পূজা হৈ যায়, কাৰণ ভগৱান সর্বদেৱ ময়।

সেইকাৰণে আদর্শ দাস্য ভক্ত জিজ্ঞাসু উদ্ধৱ দেৱৰ বাক্যৰে সামৰণী মৰা হৈছে—

তাপত্রয়েণাভিহতস্য ঘোৰে সন্তপামানস্য ভৱাধ্বনীশ।
পশ্যামি নান্যচ্ছৰণ্যং তবাঙ্ঘ্রিদ্বন্দ্বাত পত্রাদমৃতাভি-
বর্ষাৎ।। — ভাগঃ ১১/১৯/৯

অর্থাৎ,

হে কৃষ্ণ ইটো ঘোৰ সংসাৰ পন্থত। তিনিতাপে আতিশয় হুয়া আছে হত।।
তযু পাদ-পদ্ম ছায়া ছত্র বিনে তাৰ। নাহিকে শৰণ আৰ তাপ এৰাইবাৰ।।
তোমাৰ চৰণ যুগ ছত্র বিপৰীত। ছায়া কৰি সৰ্ব্বদিশে বৰিষে অমৃত।।
হোৱয় কৃতার্থ লৈলে তাহান্তে শৰণ। এহিমানে সংহৰিলো উদ্ধৱ বচন।। — ৰত্নাৱলী

অন্তিম সিদ্ধান্ত—

ধৰমক কৰমক গৰবক ছোৰি ডাকি বোলহু ৰাম ৰাম।।